অধ্যায় ৪ ঃ গণতন্ত্রত সাংবাদিকতাৰ ভূমিকা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ প্রেছ (সংবাদ মাধ্যম)ৰ স্বাধীনতা

৪.৩.১ প্রোথিত সাংবাদিকতা

৪.৩.২ আন্তঃৰাষ্ট্রীয় পর্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতা

৪.৩.৩ ৰাষ্ট্রীয় পর্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতা

৪.৩.৪ আঞ্চলিক পর্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতা

৪.৪ গণতন্ত্র, সংবাদ মাধ্যম আৰু ৰাজহুৱা ক্ষেত্র

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৬ অধিক জানিবলৈ

৪.৭ অগ্রগতিৰ খতিয়ান

৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- গণতন্ত্রত সাংবাদিকতাই কেনেকৈ এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে সেই বিষয়ে অৱগত হ'ব পাৰিব
- অভিব্যক্তি প্রকাশৰ স্বাধীনতা বোলা ধাৰণাটোৰ বিষয়ে জানিব পাৰিব
- গণতন্ত্রৰ আন্তঃৰাষ্ট্রীয়, ৰাষ্ট্রীয় আৰু আঞ্চলিক পর্যায়ত অভিব্যক্তি প্রকাশৰ স্বাধীনতা কেনেধৰণৰ সেয়া গম পাব
- ৰাজহুৱা ক্ষেত্রত সংবাদ মাধ্যম আৰু জনসাধাৰণৰ মাজত থকা সম্পর্ক বুজি পাব।

৪.২ পৰিচয়

"গুণগত দিশৰ পৰা উৎকৃষ্ট সাংবাদিকতাই নাগৰিক তেওঁলোকৰ সমাজৰ উন্নয়ন সম্পর্কীয় তথ্যলব্ধ সিদ্ধান্ত গ্রহণত সহায় কৰে। ই অন্যায়, দুর্নীতি আৰু ক্ষমতাৰ অপব্যৱহাৰৰ কথা ফাদিল কৰাৰো প্রয়াস চলায়। ইয়াৰ বাবে সাংবাদিকতা এনে এক অনুকূল পৰিৱেশত সক্রিয়

হৈ থাকিব লাগে যিটো পৰিৱেশত সংবাদসেৱীসকলে স্বতন্ত্রভাৱে, কোনো অপ্রয়োজনীয় হস্তক্ষেপ অবিহনে আৰু সুৰক্ষিতভাৱে কাম কৰি যাব পাৰে।"

—ৰাষ্ট্রসংঘৰ সচিবপ্রধান বেন কি-মুন

২০১৫ চনৰ ৩ মে'ত বিশ্ব প্রেছ স্বতন্ত্রতা দিৱস উপলক্ষে ইউনেস্ক'ৰ নির্দেশত ইৰিনা বোকোভাই প্রেৰণ কৰা বার্তাৰ অভিব্যক্তি প্রকাশৰ স্বাধীনতাৰ গুৰুত্ব ব্যাখ্যা কৰিছে। তেওঁ কৈছে— "আজিৰ দিনটোতে আমি অনলাইন আৰু অফ্লাইন দুয়োধৰণে অভিব্যক্তি প্রকাশৰ স্বাধীনতাৰ পতাকা উৰুৱাও, সাংবাদিকসকলৰ সুৰক্ষাৰ হকে থিয় হওঁ আৰু সমগ্র বিশ্বৰ বেপৰোৱা মনোভাৱৰ বিৰুদ্ধে যুদ্ধত নামো। আমি আমাৰ কণ্ঠ সৰৱ কৰি তোলোঁ যাতে প্রতিজন পুৰুষ আৰু প্রতিগৰাকী মহিলাই মুক্তকণ্ঠে মনৰ ভাৱ প্রকাশ কৰিব পাৰে, তথ্য লাভৰ জৰিয়তে নিজকে সবল কৰি তুলিব পাৰে। মানৱ মর্যাদাৰ বাবে এই অধিকাৰবোৰৰ প্রয়োজনীয়তা আছে— এই অধিকাৰবোৰ আন সকলো ধৰণৰ অধিকাৰৰ বাবেও গুৰুত্বপূর্ণ- উন্নত শাসন ব্যৱস্থা, গণতন্ত্র, আইনৰ শাসন, সর্বাংগীণ আৰু বহলক্ষম উন্নয়ন, এই আটাইবোৰৰ বাবে গুৰুত্বপূর্ণ। এইবোৰ কাৰণতে ইউনেস্ক'ই সমগ্র বিশ্বতে সক্রিয়ভাৱে কাম কৰি আছে। আমি অভিব্যক্তি প্রকাশৰ স্বাধীনতা সুৰক্ষিত ৰখাৰ, সংবাদ মাধ্যম উন্নয়ন সমর্থনকাৰী, সাংবাদিকৰ সুৰক্ষা বৃদ্ধি কৰা, সাংবাদিকৰ সুৰক্ষা বিষয়ক ৰাষ্ট্রসংগৰ কর্ম পৰিকল্পনা আগবঢ়াই নিয়া আৰু বেপৰোৱা মনোভাৱৰ সমস্যাটোৰ সৈতে যুঁজা বিভিন্ন কাম-কাজ কৰি আছো। এক নতুন বিশ্বজনীন বহনক্ষম উন্নয়ন কার্যসূচী গ্রহণ কৰি আমি বর্তমান তথা ভৱিষ্যতে অভিব্যক্তি প্রকাশৰ স্বাধীনতা সবলতৰ কৰি তোলাৰ প্রয়াস চলাই আছো।"

সমগ্র বিশ্বৰে যিকোনো সমাজে সংবাদ মাধ্যমটো নিজৰ আশা-আকাংক্ষা শুদ্ধকৈ প্রতিফলিত কৰিব পৰা আহিলা হ'ব বুলি ভাবে। সমাজবোৰে ইয়াৰ উন্নয়নৰ সাধাৰণ স্থিতিও সংবাদ মাধ্যমে প্রচাৰ কৰিব বুলি আশা কৰে। সংবাদ মাধ্যম হ'ল এনে এক মুকলি মঞ্চ য'ত এখন সমাজৰ বাবে গুৰুত্বপূর্ণ সকলোবোৰ বিষয় আৰু সমস্যাৰে গভীৰ বিতর্ক আৰু আলোচনা-বিলোচনা চলা উচিত। কোনো বিষয় আৰু সমস্যাৰ সৈতে জড়িত প্রতিটো দিশ তথা পক্ষৰ ভাল-বেয়া কথাবোৰ পুংখ্যনুপুংখ ভাৱে বিশ্লেষণ কৰি চোৱাৰ মঞ্চও এইখনেই। এই কথাটোৰে একেধৰণে বৌদ্ধিকভাৱে চিন্তা কৰিব নোৱৰা আৰু নিজৰ সৈতে জড়িত বহুতো বিষয় সম্পর্কে সজাগতা নথকা সাধাৰণ জনগণক সমাজৰ সংকট হ'লে তথ্যলব্ধ সিদ্ধান্ত লোৱাত সহায় কৰিব। সেই দিশৰ পৰা চাবলৈ গ'লে বিশ্বৰ সকলো সমাজতে অভিব্যক্তি প্রকাশৰ স্বাধীনতা আৰু সংবাদ মাধ্যমৰ গুৰুত্ব অপৰিসীম। নিঃসন্দেহে দুয়োটা কথাই গণতান্ত্রিক নীতিৰ ওপৰত আধাৰিত।

৪.৩ প্রেছ (সংবাদ মাধ্যম)ৰ স্বাধীনতা

ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণাপত্রত কোৱা হৈছে যে 'অভিব্যক্তি প্রকাশৰ স্বাধীনতা' (Freedom of Expression) মানে হ'ল কোনো বাহিৰা হস্তক্ষেপ অবিহনে

প্রতিগৰাকী ব্যক্তিয়ে নিজৰ মতামত উপস্থাপন কৰিবলৈ পোৱাৰ অধিকাৰ আৰু ভৌগোলিক চাৰিসীমা নির্বিশেষে যিকোনো মাধ্যমতে তথ্য আৰু ধাৰণা বিচৰা, গ্রহণ তথ্য জ্ঞাপন কৰাৰ অধিকাৰ। আলোচনাৰ আৰম্ভণিতে ব্যক্তি, ৰাষ্ট্র আৰু সমাজৰ বাবে কিয় এই স্বাধীনতা প্রয়োজনীয় সেয়া ব্যাখ্যা কৰাৰ চেষ্টা চলোৱা হৈছে।

অভিব্যক্তি প্রকাশৰ স্বাধীনতা হৈছে এটা মৌলিক মানৱ অধিকাৰ। ই ব্যক্তিক সমানৰ বাবে গুৰুত্বপূর্ণ বিভিন্ন বিষয়ত মুকলি মতামত প্রকাশ কৰাৰ অধিকাৰ দিয়ে, তথ্য জনাৰ সুযোগ দিয়ে আৰু ব্যক্তিক ক্ষমতাশালী কৰি ৰাখে। ই যিকোনো সমাজৰে সুস্থ বিকাশ প্রক্রিয়াত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

মানৱ সমাজত যিকোনো সমস্যাৰে ভাল- বেয়া দুয়োটা দিশ চালি-জাৰি চোৱাৰ পাছতহে উন্নততৰ সিদ্ধান্ত ল'ব আৰু তেনে সিদ্ধান্তক কামত প্রয়োগ কৰিব পৰা যায়। ইয়াৰ বাবে অভিব্যক্তি প্রকাশৰ স্বাধীনতা থকাটো এক জৰুৰী বিষয়। এই অধিকাৰটোৰ সৈতে জড়িত এটা গুৰুত্বপূর্ণ ধাৰণা হ'ল 'অৱগত পছন্দ আৰু অভিব্যক্তি প্রকাশ' (Informed Choice and Expression)। ধাৰণাটোৰ অর্থ হ'ল জাতি-ধর্ম-অর্থনৈতিক অৱস্থা-সামাজিক পদমর্যাদা ইত্যাদি নির্বিশেষে প্রতিগৰাকী ব্যক্তিয়ে এনে সকলোবোৰ তথ্য জানিবলৈ পাব লাগে যিবোৰে তেওঁক কোনো কামৰ বাবে জীৱনৰ যিকোনো সময়তে সিদ্ধান্ত গ্রহণ কৰোঁতে সহায় কৰিব পাৰে।

সংবাদ মাধ্যমক এখন 'অনানুষ্ঠানিক বিশ্ববিদ্যালয়'ৰ সৈতে তুলনা কৰিব পাৰি। ইয়াত যিকোনো ধৰণৰ আৰু প্রতিটো কথা অথবা বিষয়েই গুৰুত্বপূর্ণ। ইয়াত গুৰুতৰ অথবা লঘু বুলি বিবেচিত সকলো। বিষয়ৰে সকলোবোৰ দিশ উপযুক্তবাৰে আলোচনা কৰিব লাগে। তেতিয়াহে মানুহে বিষয় এটাৰ দুয়োটা পক্ষ জনাৰ সুযোগ পাব। এই জ্ঞানৰ আধাৰত ব্যক্তিয়ে যিকোনো ধৰণৰ সিদ্ধান্ত ল'ব পাৰিব।

যেতিয়া ৰাইজক অৱগত কৰিবলগীয়া কোনো নতুন অথবা অগতানুগতিক ঘটনা সম্পর্কে এগৰাকী ব্যক্তি সম্পূর্ণৰূপে পতিয়ন যায়, তেতিয়া তেওঁ সেই সম্পর্কে বাধাহীনভাৱে মত প্রকাশ কৰিব পাৰে। সহজ অর্থত, সকলো বিষয় ৰাজহুৱা মঞ্চলৈ অনা উচিত যাতে উপযুক্ত ধৰণে বিষয়টোক লৈ আলোচনা-বিলোচনা চলে।

কিন্তু ব্যৱহাৰিক ক্ষেত্রত এই মৌলিক মানৱ অধিকাৰটোক সঘনাই নানা কৌশলেৰে সীমাবদ্ধ কৰা হয় অথবা নানা বাধা-বিষেধ আৰোপ কৰা হয়। এনে কৌশল দুটামান হ'ল- চেন্সৰশ্বিপ, চর্তসাপেক্ষ প্রেছ আইন, সাংবাদিক-ব্ল'গাৰ আৰু নিজৰ মত দ্বিধাহীনভাৱে প্রকাশ কৰা সকলৰ ওপৰত চলা নিগ্রহ আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ এখন গণতন্ত্রত সংবাদ মাধ্যমৰ (প্রেছ) স্বাধীনতাৰ গুৰুত্ব কিমান ?

.....

.....

.....

.....

.....

৪.৩.১ প্রোথিত সাংবাদিকতা

প্রেছ (সংবাদ মাধ্যম)ৰ স্বাধীনতা অধ্যয়ন কৰাৰ সময়ত প্রোথিত সাংবাদিকতা (Embedded Journalism)ৰ ধাৰণাটো আলোচনা নকৰিলে অধ্যয়ন আধৰুৱা হৈ ৰ'ব। 'প্রোথিত সাংবাদিকতা' মানে হ'ল সশস্ত্র সংঘাতৰ মোকাবিলা কৰি থকা সামৰিক গোটবোৰৰ সৈতে থকা অথবা সম্পর্ক ৰক্ষা কৰা সাংবাদিকসকলে প্রস্তুত তথা পৰিৱেশন কৰা সংবাদ। বর্তমান এই অভিধাটো সাংবাদিক তথা সামৰিক বিষয়াৰ মাজত চলা বহুতো ঐতিহাসিক আন্তঃক্রিয়াৰ ক্ষেত্রত প্রয়োগ কৰা হয়। ২০০৩ চনত ইৰাক আক্রমণৰ সময়ত সংবাদ মাধ্যমে প্রস্তুত কৰা সংবাদৰ ক্ষেত্রত পোন প্রথমবাৰৰ বাবে এই অভিধাটো ব্যৱহাৰ কৰা হৈছিল। সেই যুদ্ধত আমেৰিকাৰ সেনা বাহিনীয়ে সাংবাদিকসকলক সংবাদ প্রস্তুত কৰাৰ বাবে সকলো ধৰণৰ সহায়-সুবিধা আগবঢ়াইছিল। সাংবাদিকক সৈনিক থকা শিবিৰত ৰখা হৈছিল আৰু যুদ্ধ চলা অঞ্চললৈ অহা-যোৱা কৰিবলৈ সৈন্য যোৱা বাহন ব্যৱহাৰ কৰা সুযোগ দিয়া হৈছিল। ইয়াৰ উপৰি আমেৰিকা সেনা বাহিনীয়ে সংবাদিকক সামৰিক সংযোগ সঁজুলি ব্যৱহাৰ কৰি ঘটনা চলি থকা সময়তে পোনপটীয়া সংবাদ প্রেৰণৰ সুবিধাও প্রদান কৰিছিল। যুদ্ধ সম্পর্কে 'সমর্থনসূচক' সংবাদ পৰিৱেশন কৰিব লাগিব কোনো বিশেষ নির্দেশনা জাৰি কৰা হোৱা নাছিল যদিও এই কথা সহজেই অনুমেয় যে মিত্রবাহিনীয়ে আগবঢ়োৱা ইমানবোৰ সা-সুবিধা গ্রহণ কৰাৰ পাছত সাংবাদিকসকলে সম্পূর্ণ বস্তুনিষ্ঠ সংবাদ পৰিৱেশন কৰিব পৰা নাছিল। যুদ্ধক্ষেত্রৰ পৰা প্রেৰণ কৰা সংবাদবোৰ কিছু পৰিমাণে হ'লেও সৈন্য-বাহিনীৰ সপক্ষে গৈছিল। এইবোৰ কাৰণতে ইৰাক যুদ্ধৰ সময়ত 'আল-জাজিৰা' নামৰ সংবাদ চেনেলটোৰ উত্থান ঘটিছিল। বিশ্বৰ এচাম দর্শকে বিশ্বাস কৰিছিল যে মিত্র বাহিনীৰ আতিথ্য গ্রহণ কৰি বাতাৰ প্রেৰণ কৰা সাংবাদিকসকলতকৈ 'আল-জাজিৰা'ই যুদ্ধখন সম্পর্কে অধিক বস্তুনিষ্ঠ সংবাদ পৰিৱেশন কৰিছিল।

৪.৩.২ আন্তঃৰাষ্ট্রীয় পর্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতা

ব্যক্তিৰ সর্বাংগীন বিকাশৰ বাবে প্রেছ (সংবাদ মাধ্যম)ৰ স্বাধীনতা অতি প্রয়োজনীয় যদিও পৃথিৱীৰ বহুতো দেশত এই স্বাধীনতা বহুখিনি উলংঘন কৰা হয়। কেইটামান আন্তঃৰাষ্ট্রীয় সংগঠনে বিশ্বত প্রেছ (সংবাদ মাধ্যমৰ স্বাধীনতাৰ সূচ্যাংক বাহিৰ কৰিবলৈ নিয়মীয়াকৈ বছৰেকীয়া সমীক্ষা চলাই আহিছে। এই সমীক্ষাবোৰৰ পৰা সমগ্র বিশ্বতে প্রেছৰ স্বাধীনতাৰ স্থিতি সম্পর্কে এক ভাৰসাযোগ্য তথ্য পোৱা যায়।

প্রেছৰ স্বাধীনতা জানিবলৈ বছৰেকীয়া সমীক্ষা চলোৱা দুটামান আন্তঃৰাষ্ট্রীয় প্রতিষ্ঠান হ'ল পেৰিছৰ ৰিপ'টৰিছ্ ছেন্ছ ফ্রণ্টিয়ার্ছ (RSF), আমেৰিকাৰ ফ্রীডম হাউছ (Freedom House) আৰু কমিটী টু প্র'টেক্ট জার্ণেলিষ্টছ্ (CPJ)।

বিশ্বজনীন পর্যায়ত প্রেছৰ স্বাধীনতাই এখন বৈচিত্র্যময় ছবিৰ সৃষ্টি কৰে। বিশ্বৰ কেইখনমান দেশক 'মুক্ত প্রেছ'ৰ (Free Press) দেশ বুলি কোৱা হয়, কিছুমান দেশৰ প্রেছ আকৌ আংশিকভাৱে মুক্ত' (Partly Free) আৰু আন কিছুমান দেশত প্রেছ 'স্বাধীন নহয়' (Not Free)। প্রেছৰ স্বাধীনতাৰ ওপৰত দৃষ্টি ৰখা স্বতন্ত্র অনুষ্ঠানবোৰে আগবঢ়োৱা তথ্য অনুসৰি পৃথিৱীৰ মুঠ ১৯৯খন দেশ আৰু ভৌগলিক অঞ্চলৰ প্রতিখনেই এই তিনিটা ভাগৰ যিকোনো এটাৰ অন্তর্গত।

প্রেছৰ স্বাধীনতা খর্ব হোৱা বিষয়টো কিমান গুৰুত্বৰ সেয়া বুজিবলৈ এটা তথ্য পঢ়ি চাওঁ আহক। ১৯৯২ চনৰ পৰা প্রায় দুটা দশকৰ ভিতৰত প্রায় ১৩০০ সাংবাদকে বিভিন্ন দেশত বিভিন্ন ধৰণে মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছে। (ফ্রীডম হাউছ)। পৃথিৱীৰ ১৯৯ খন দেশ আৰু ভৌগলিক অঞ্চলত চলোৱা সমীক্ষাত 'ফ্রীডম হাউছ'-এ এটা নম্বৰ দিয়াৰ নিয়ম গ্রহণ কৰিছিল। এই নিয়ম মতে কম নম্বৰ পোৱা দেশবোৰত প্রেছৰ অৱস্থা উন্নত আৰু বেছি নম্বৰ পোৱা দেশবোৰত প্রেছৰ স্বাধীনতাই এখন নেতিবাচক ছবি দাঙি ধৰিছিল। প্রতিষ্ঠানটোৰ ২০১৪ চনৰ মূল্যায়নত নৰৱে', চুইডেন, বেলজিয়াম, ফিনলেণ্ড, নেদাৰলেণ্ডছ্ আৰু ডেনমার্কৰ দৰে দেশ কেইখনমানে কম নম্বৰৰ সৈতে (১০/১১) এই তালিকাৰ শীর্ষত স্থান লাভ কৰিছিল।

ফ্রীডম হাউছ'-ক মূল্যায়নত তিনিটা শাখাত দেশবোৰক ভগোৱা হৈছিল— মুক্ত (৩০লৈকে নম্বৰ পোৱা দেশবোৰ), আংশিকভাৱে মুক্ত (৬০লৈকে নম্বৰ পোৱা দেশবোৰ) আৰু স্বাধীন নহয় (৬০তকৈ বেছি নম্বৰ পোৱা দেশবোৰ)।

CPJ-ই চলোৱা আন এক সমীক্ষাত বিশ্বৰ ২০খন দেশক সাংবাদিকৰ বাবে সবাতোকৈ ভয়াৱহ দেশৰ তালিকাত স্থান দিয়া হৈছে।এই তালিকাৰ শীর্ষত আছে ইৰাক। তাৰ পাছত স্থান পাইছে ক্রমে ব্রাজিল, পাকিস্তান, ভাৰত, ৰাছিয়া আৰু বাংলাদেশৰ দৰে ৰাষ্ট্রবোৰে।

ফ্রীডম হাউছে ১৯৮০ চনৰ পৰাই এখন বছৰেকীয়া প্রতিবেদন প্রকাশ কৰি আহিছে। ২০১৫ চনত প্রকাশিত 'ফ্রীডম অৱ দ্যা প্রেছ' প্রতিবেদনৰ মতে বিগত ১০ বছৰৰ ভিতৰত ২০১৪ চনত সমগ্র বিশ্বতে প্রেছৰ স্বাধীনতা সবাতোকৈ অধিক খর্ব হৈছে। এই অৱনতি অতি

দ্রুত গতিত হৈছে। সমগ্র দশকটোৰ ভিতৰতে বিশ্বজনীন গড় মাত্রাই সর্বনিম্ন এবছৰীয়া অৱনতিৰ হাৰ প্রদর্শন কৰিছে। বিশ্বৰ মুঠ জনসংখ্যাৰ মাত্র ১৪ শতাংশইহে 'মুক্ত প্রেছ'ৰ সুবিধা উপভোগ কৰে। অর্থাৎ, প্রতি ৭ গৰাকী ব্যক্তিৰ ভিতৰত মাত্র এগৰাকীয়ে এনে পৰিৱেশত বাস কৰে য'ত পর্যাপ্ত আৰু যথার্থভাৱে ৰাজনৈতিক সংবাদ সংগ্রহ তথা পৰিৱেশ কৰা হয়, সাংবাদিকে নিশ্চিত সুৰক্ষা লাভ কৰে, সংবাদ মাধ্যমৰ কার্য পৰিক্রমাত ৰাষ্ট্রই ন্যূনতম হস্তক্ষেপ কৰে আৰু সংবাদ মাধ্যম কষ্টকৰ ন্যায়িক তথা অর্থনৈতিক হেঁচাৰ সন্মুখীন হ'ব লগীয়া নহয়।

সমগ্র বিশ্বতে প্রেছৰ স্বাধীনতাৰ অৱনতি ঘটাৰ প্রধান কাৰণ দুটা। প্রথম কাৰণটো হ'ল ৰাষ্ট্রীয় সুৰক্ষাৰ নামত প্রায়েই সংবাদ মাধ্যমক গমনাধিকাৰ (Passage) দিয়া নহয় আৰু সংবাদ মাধ্যমৰ বিৰুদ্ধে বিভিন্ন সময়ত নিষেধমূলক আইন প্রয়োগ কৰা হয়। দ্বিতীয় কাৰণটো হ'ল কোনো এখন প্রদত্ত দেশ; কোনো প্রতিবাদ স্থল আৰু সংঘর্ষপীড়িত অঞ্চলৰ পৰা স্থানীয় আৰু বিদেশী সাংবাদিক নিজে উপস্থিত থাকি মুক্তভাৱে সংবাদ সংগ্রহ তথা পৰিৱেশন কৰিব নোৱৰা অৱস্থা। পৰিহাসৰ কথা এয়েই যে তথ্যৰ অসীম সুলভতা আৰু বিষয়বস্তু লক্ষ্যস্থানত উপনীত কৰাব পৰা নতুন অঞ্চলত সাংবাদিক প্রৱেশ কৰিব নোৱৰা অৱস্থা এটাৰহে সৃষ্টি হৈছে।

প্রেছৰ স্বাধীনতা সর্বাধিক উলংঘা হোৱা ১৮খন দেশ আৰু ভৌগোলিক অঞ্চলবোৰে ৰাজনৈতিকভাৱে বহুধা বিভক্ত শ্রেণীৰ প্রতিনিধিত্ব কৰে। এনে দেশ আৰু অঞ্চল কেইটামান হ'ল গ্রীচ, হংকং, আইচলেণ্ড, ছার্বিয়া আৰু দক্ষিণ আফ্রিকা। ইয়াৰ পৰাই গম পোৱা যায় যে প্রেছৰ স্বাধীনতাৰ বিশ্বজনীন অৱনতি কেৱল একনায়কত্ববাদী শাসন ব্যৱস্থ অথবা যুদ্ধ চলি থকা অঞ্চলবোৰতে সীমাবদ্ধ হৈ থকা নাই। প্রেছৰ স্বাধীনতা গুৰুত্বভাৱে খর্ব হোৱা আন কেইখনমান দেশ হ'ল আলজিৰিয়া, আজাৰবাইজান, ইজিপ্ত, হণ্ডুৰাছ, লিবিয়া, দক্ষিণ ছুডান আৰু থাইলেণ্ড।

বিশ্বৰ ১৯৯খন দেশ আৰু ভৌগলিক অঞ্চলত (পৰৱর্তী সময়ত ক্রিমিয়া আৰু চোমালিলেণ্ড নামৰ দুটা নতুন অঞ্চল অন্তর্ভুক্ত কৰা হৈছিল) ২০১৪ চনত চলোৱা সমীক্ষা অনুসৰি সমগ্র বিশ্বৰ প্রেছৰ স্বাধীনতাৰ ছবিখন এনে ধৰণৰ— মুঠ ৬৩খন দেশ (চ শতাংশ) মুক্ত, মুঠ ৭১খন দেশ (৩৬ শতাংশ) আংশিকভাৱে মুক্ত আৰু মুঠ, ৬৫খন দেশ (৩২ শতাংশ) স্বাধীন নহয়। ২০১৩ চনৰ সমীক্ষাৰ সৈতে তুলনা কৰিলে দেখা যাব যে পৰৱর্তী বছৰটোত 'আংশিকভাৱে মুক্ত' দেশ আৰু অঞ্চলৰ সংখ্যা কিছু বাঢ়িছে। ২০১৩ চনৰ প্রতিবেদনত ৬৩খন দেশক মুক্ত, ৬৮খনক আংশিকভাৱে মুক্ত আৰু ৬৬খন দেশক আৰু অঞ্চলক স্বাধীন নহয় বুলি কোৱা হৈছিল। সেইখন প্রতিবেদনতে প্রকাশ কৰা হৈছিল যে বিশ্বৰ মুঠ জনসংখ্যাৰ ১৪ শতাংশই 'মুক্ত প্রেছ' থকা দেশত বাস কৰে। ৪২ শতাংশই 'আংশিকভাৱে মুক্ত প্রেছ' থকা দেশত আৰু ৪৪ শতাংই প্রেছৰ স্বাধীনতা নথকা পৰিৱেশত বাস কৰে। এই জনসংখ্যাৰ দিশটোক দুখন দেশে গভীৰভাৱে প্রভাৱিত কৰিছে। ইয়াৰে এখন হ'ল প্রেছৰ স্বাধীনতা নথকা চীন আৰু আনখন হ'ল আংশিক স্বাধীনতা থকা দেশ ভাৰত। দুয়োখন দেশতে পৃথিৱীৰ মুঠ জনসংখ্যাৰ এক তৃতীয়াংশতকৈ, সংখ্যাৰ হিচাপত সাত বিলিয়নতকৈও অধিক লোক বাস কৰে।

২০১৪ চনত 'মুক্ত প্রেছ'ৰ সুবিধা উপভোগ কৰি থকা লোকৰ শতকৰা হাৰে ১৯৯৬ চনৰ পাছত পোন প্রথমবাৰৰ বাবে সর্বনিম্ন পর্যায় পাইছিল। ১৯৯৬ চনৰ পৰাই ফ্রীডম হাউছে নিজৰ বছৰেকীয়া প্রতিবেদনত জনসংখ্যাৰ ভেটাও যোগ দিবলৈ আৰম্ভ কৰিছে। বিশ্বজনীন গড়ৰ বহু বছৰীয়া অৱনতিৰ পাছত ২০১১ চনত এই হাৰ কিছু উন্নত হৈছিল।

কিন্তু ২০১৪ চনত এই হাৰ আগতকৈ ০.৭৪ পইণ্ট কমি গৈছিল। ১৯৯৯ চনৰ পাছত এই হাৰ আছিল সবাতোকৈ কম। ২০০৫ চনৰ পৰা ই আছিল বছৰি হোৱা সর্ববৃহৎ অৱনতি। কেৱল আফ্রিকা মহাদেশৰ উপ-চাহাৰা অঞ্চলটোত প্রেছৰ স্বাধীনতা কিছু বাঢ়িছিল। প্রেছৰ স্বাধীনতা খর্ব হৈছিল। মধ্যপ্রাচ্য আৰু উত্তৰ আফ্রিকাৰ দেশবোৰত এই অৱনতিৰ হাৰ আছিল সর্বাধিক। (w.w.w freedomhouse.org)

৪.৩.৩ ৰাষ্ট্রীয় পর্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতা

ভাৰতত ঔপনিৱেশিক শাসন আৰম্ভ হোৱাৰ লগে লগে সংবাদ মাধ্যমৰ স্বাধীনতা নাইকিয়া হৈছিল। স্বাধীনতা সংগ্রাম চলি থকা সময়ত ব্রিটিছ চৰকাৰৰ বিৰুদ্ধে যোৱা বুলি ঘোষণা কৰা অথবা উচটনিমূলক বুলি বিবেচিত হোৱা লেখনী বাতৰিকাকত, আলোচনী, কিতাপ আদিত প্রকাশিত কৰাৰ অভিযোগত ছপাশালৰ মালিক আৰু সম্পাদসকলৰ ওপৰত বহু সময়ত তাৎক্ষণিক জৰিমনা বিহা হৈছিল। অৱশ্যে দেশৰ প্রচাৰ মাধ্যমে এই কৌশলবোৰৰ আগত নতি স্বীকাৰ নকৰি প্রশংসাযোগ্য ভূমিকা পালন কৰিছিল। ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ নকৰা পর্যন্ত ভাৰতীয় সংবাদ মাধ্যমে কেইবাটাও দশক ধৰি নিজৰ সংঘর্ষ অব্যাহত ৰাখিছিল।

স্বাধীনতাৰ পাছত ভাৰতীয় সংবিধানৰ দফা 19(1)(a)ৰ জৰিয়তে ভাৰতীয় সংবাদ মাধ্যমক স্বাধীনতা প্রদান কৰা হৈছে। দফাটোৰ মতে— "সকলো নাগৰিকৰে বাক্ আৰু অভিব্যক্তি প্রকাশৰ স্বাধীনতা থাকিব।" অৱশ্যে এই কথা সকলোৰে জ্ঞাত যে উক্ত মৌলিক অধিকাৰটো চৰম অধিকাৰ নহয়। কাৰণ ইয়াৰ পিছতেই থকা সংবিধানৰ দফা 19(2) অনুসৰি "ভাৰতৰ সার্বভৌমত্ব আৰু অখণ্ডতা, ৰাষ্ট্রৰ সুৰক্ষা, ৰাজহুৱা শৃংখলা, শালীনতা অথবা নৈতিকতা, নাইবা মানহানি অথবা আইন ভংগকাৰী প্ররোচনা প্রতিহত কৰাৰ স্বার্থত কোনো নীতি-নিয়ম প্রস্তুত কৰাৰ পৰা ৰাষ্ট্রক কোনেও বাধা দিব নোৱাৰে।"

অর্থাৎ, বাকী স্বাধীনতাবোৰৰ দৰে সংবাদ মাধ্যমৰ স্বাধীনতাও চৰম নহয়। ভাৰতীয় সংবিধানৰ দফা 19(2)এ 'যুক্তিসংগত বাধা-নিষেধ'ৰ নামত এই স্বাধীনতাৰ ক্ষেত্রতো কিছুমান বাধা-নিষেধ আৰোপ কৰিব পাৰে।

ভাৰতীয় প্রেছ কাউন্সিলৰ প্রাক্তন অধ্যক্ষ আৰু ভাৰতীয় উচ্চতম ন্যায়ালয়ৰ ভূতপূর্ব বিচাৰক ন্যায়াধীশ (অৱসৰপ্রাপ্ত) মার্কেণ্ডেয় কাট্জুৰ মতে, "গণতন্ত্রৰ সুচাৰু কার্য-সম্পাদনৰ বাবে নাগৰিকক দেশ তথা বিদেশৰ বিভিন্ন অঞ্চলৰ সংবাদ সম্পর্কে জ্ঞাত কৰি ৰখাটো অতি প্রয়োজনীয়। কাৰণ, তেতিয়াহে তেওঁলোকে যুক্তিসংগত মতামত আগবঢ়াব পাৰিব। এগৰাকী

নাগৰিকে এনে মতামত গঢ়ি তুলিব পৰাকৈ ব্যক্তিগতভাৱে সংবাদ জমা কৰিব বুলি আশা কৰিব নোৱাৰি। সেয়েহে এখন গণতন্ত্রত সংবাদ মাধ্যমে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে আৰু নাগৰিকৰ বাবে সংবাদ সংগ্রহকাৰী এক প্রতিভূ (Agent) হিচাপে সেৱা আগবঢ়ায়। এইটো কাৰণতে আটাইবোৰ গণতান্ত্রিক দেশতে সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত জোৰ দিয়া হয়। সামন্তবাদী অথবা একনায়কত্ববাদী শাসন ব্যৱস্থাত এই স্বাধীনতা প্রদান কৰা নহয়। সংবাদ মাধ্যমৰ স্বাধীনতা আন এটা কথাৰ বাবেও গুৰুত্বপূর্ণ। কথাটো হ'ল অধিকাংশ নাগৰিকৰ বাবেই সংবাদযোগ্য (Newsworthy) ঘটনাৰ সৈতে ব্যক্তিগত পৰিচিতি থকাটো এটা অবাস্তৱ কথা। সংবাদ বিচৰাৰ ক্ষেত্রত সেয়েহে প্রচাৰ মাধ্যমবোৰে বৃহত্তৰ ৰাইজৰ হৈ কাম কৰে। সংবাদ মাধ্যম হ'ল সেইটো উপায় যিটো উপায়ৰ দ্বাৰা সাধাৰণ লোকে তথ্য আৰু চিন্তাৰ মুক্ত প্রৱাহ গ্রহণ কৰে। এই প্রৱাহ এক দক্ষ স্ব-শাসন, অর্থাৎ গণতন্ত্রৰ বাবে প্রয়োজনীয়।" (The Hindu, 2013)

ভাৰতৰ সংবাদ মাধ্যমে ব্রিটিছৰ যুগত উত্থান ঘটা সময়ৰে পৰা আজিলৈকে সাধাৰণভাৱে সমাজলৈ ফলপ্রসূ গঠনমূলক অৱদান আগবঢ়াই আহিছে। ভাৰতীয় প্রেছ আইন (Indian Press Act), আঞ্চলিক ভাষা প্রেছ আইন (Vernacular Press Act), আনুষ্ঠানিক গোপনীয়তা আইন (Official Secrets Act) আদিৰ দৰে বিভিন্ন নিষেধাজ্ঞামূলক, বৈষম্যমূলক আৰু দমনমূলক আইন থকা সত্ত্বেও ভাৰতৰ সংবাদ মাধ্যমে নিজৰ সেৱা আগবঢ়াই আহিছে। এই আইনবোৰৰ লক্ষ্য আছিল সংবাদ মাধ্যমক স্বতন্ত্রভাৱে কাম কৰাত বাধা দিয়া। ইয়াৰ দ্বাৰা বৃহত্তৰ জনগণৰ ওচৰলৈ স্বাধীনতা আন্দোলনৰ কার্য-ক্রমণিকা সম্পর্কীয় তথ্য প্রৱাহ আৰু সজাগতা সৃষ্টিৰ প্রচেষ্টা ৰোধ কৰিব খোজা হৈছিল।

স্বাধীনতা সংগ্রাম চলি থকা সময়ছোৱাত বহুকেইখন বাতৰিকাকতৰ প্রকাশ বন্ধ হৈ গৈছিল। চৰকাৰে এই বাতৰিকাকতবোৰৰ ছপাশাল জৰিমনা হিচাপে বাজেয়াপ্ত কৰিছিল; বহুতো মালিক, প্রকাশক আৰু সম্পাদকক চৰকাৰৰ বিৰুদ্ধাচৰণ কৰাৰ দোষত কাৰাগাৰলৈ নিক্ষেপ কৰিছিল। তথাপি সংগ্রাম থমকি ৰোৱা নাছিল আৰু সংবাদ মাধ্যমেও সকলো প্রত্যাহ্বানৰ দৃঢ়তাৰে মুখামুখি হৈছিল। সেই সময়ছোৱাত ই আছিল এক শলাগিবলগীয়া সফলতা।

একেই উদ্যম আৰু শক্তিৰে ভাৰতীয় সংবাদ মাধ্যমে আজিও অতি ভাৰসাযোগ্যভাৱে অর্থৱহ ৰাজহুৱা তথ্য আৰু সংবাদ প্রচাৰৰ মাধ্যম হিচাপে নিজ ভূমিকা পালন কৰি আছে। এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে স্বাধীনতাৰ পাছতো প্রচাৰ মাধ্যমে বিভিন্ন বিৰোধিতাৰ সন্মুখীন হ'বলগীয়া হৈছে। ৰাষ্ট্র আৰু অন্য বহুতো ক্ষেত্রৰ পৰা সাংবাদিকসকলে বিভিন্ন শাৰীৰিক আৰু মানসিক ভাবুকি লাভ কৰি আছে। তথাপিও সংবাদ মাধ্যমে বিগত দশকবোৰত এনে শক্তিৰ আগত সেও নমনাকৈ অভিব্যক্তি প্রকাশৰ স্বাদীনতা আপোচ নকৰাকৈ কাম কৰি গৈছে।

১৯৭৫-৭৭ চনৰ কুখ্যাত ৰাষ্ট্রীয় অৱস্থা চলি থকা সময়ছোৱাত প্রচাৰ মাধ্যমে স্বাধীনতা লাভৰ পাছত সবাতোকৈ কঠিন প্রত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। এই সময়ছোৱাত

সংবাদ মাধ্যমৰ স্বাধীনতা নির্দয়ভাৱে উলংঘা কৰা হৈছিল। তদানীন্তন কেন্দ্রীয় চৰকাৰৰ সশস্ত্র কৌশলবোৰ ফাদিল নকৰিবলৈ সংবাদ মাধ্যমক কঠোৰ হাতেৰে নিয়ন্ত্রণ কৰাৰ প্রয়াস চলোৱা হৈছিল। এই সময়ছোৱাত সকলোবোৰ পঞ্জীয়নভুক্ত বাতৰিকাকত আৰু আলোচনী আদিয়ে কেৱল সেইবোৰ বাতৰিহে প্রকাশ কৰিব পাৰিছিল যিবোৰ প্রতিখন ৰাজ্যৰে ৰাজধানীত নিযুক্তি দিয়া এগৰাকী বিশেষ চেন্সৰ বিষয়াৰ কার্যালয়ে প্রকাশৰ অনুমতি প্রদান কৰিছিল। এই বিশেষ কার্যালয়টো ৰাজ্যৰ তথ্য আৰু জনসম্পর্ক নির্দেশনালয়বোৰৰ অধীনত ৰখা হৈছিল। দিল্লী আৰু আন স্থানত তথ্য আৰু সম্প্রচাৰ মন্ত্র্যালয়ৰ অধীনত এই কার্যালয়টো চলোৱা হৈছিল।

জৰুৰী অৱস্থাৰ সময়ত বাতৰিকাকতবোৰে প্রতিদিনে একোখন চূড়ান্ত সংবাদ তালিকা এই কার্যালয়ৰ বিশেষ বিষয়াগৰাকীলৈ প্রেৰণ কৰিব লাগিছিল। বিষয়াগৰাকীয়ে তালিকাখনৰ প্রকাশ হ'বলগীয়া আৰু নহ'বলগীয়া সংবাদবোৰ বাছনি কৰি দিছিল। কথাটোৱে সমগ্র দেশৰ প্রচাৰ মাধ্যমকে অসন্তুষ্ট কৰি তুলিছিল। বিভিন্ন উপায়েৰে এই নিয়মৰ প্রতিবাদ কৰা হৈছিল।

কিছুমান বাতৰিকাকতে প্রকাশৰ অনুমতি নোপোৱা বাতৰিবোৰৰ বাবে নির্দিষ্ট কৰি ৰখা স্থান উকা ৰাখিছিল। কিছুমান বাতৰিকাকতে এনে নিষেধাজ্ঞাৰ প্রতিবাদ হিচাপে সম্পর্কীয় শিতানটো উকা ৰাখিছিল।

সেই সময়ছোৱাত আনকি ভাৰতীয় প্রেছ কাউন্সিলো ভংগ কৰি দিয়া হৈছিল। ১৯৭৮ চনত কাউন্সিল পুনৰ গঠন কৰা হৈছিল।

অভিব্যক্তি প্রকাশৰ স্বাধীনতাৰ ৰক্ষণাবেক্ষণ দিয়াত ৰাষ্ট্রৰ ভূমিকা কেতিয়াও সিমান স্বচ্ছ নহয়। এই কথাটো কর্ণাটকৰ ইংৰাজী বিষয়ৰ এগৰাকী অৱসৰপ্রাপ্ত অধ্যাপক তথা খ্যাতনামা সাহিত্য আৰু সংস্কৃতি সমালোচক চি. এন. ৰামচন্দ্রনে তেওঁৰ প্রবন্ধ 'লিটল্ ৰিজন টু ৰেষ্ট্রিক্ট দ্যা ফ্রীডম অব্ স্পীছ'ত উল্লেখ কৰিছে। 'দ্যা হিন্দু' কাকতৰ ২০১৩ চনৰ ২৬ ছেপ্টেম্বৰৰ সংখ্যাত প্রকাশিত প্রবন্ধটোত কোৱা হৈছে— "অসংখ্য লেখক, সাংবাদিক আৰু শিল্পীক নিগ্রহ, ভীতি প্রদর্শন আৰু গ্রেপ্তাৰ কৰিবলৈ চৰকাৰে নিয়মমাফিক ভাৰতীয় দণ্ডবিধি আইন আৰু ভাৰতীয় সংবিধানে প্রদান কৰা কার্য স্বাধীনতাৰ অপব্যৱহাৰ কৰি আহিছে। এই কথা সকলোৱে জানে যে ভাৰতীয় সংবিধানৰ দফা 19(1)(a)ত কোৱা হৈছে— "সকলো নাগৰিকৰ বাক্ আৰু অভিব্যক্তি প্রকাশৰ স্বাধীনতা আছে।" কিন্তু এই কথা সকলোৱেই নাজানে যে এই মৌলিক অধিকাৰটো প্রায় নিঃশ্চিহ্ন কৰি পেলোৱা হৈছে। ১৯৭২ চনত হোৱা বিস্তৃত সংবিধান সংশোধনীৰ জৰিয়তে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা 153ক ধাৰা 153A আৰু ধাৰা 153Bত ভগোৱা হৈছে। এই নতুন ধাৰা দুটা ইমানেই বিস্তৃত পৰিসৰৰ যে বর্তমান এই ধাৰাৰ অধীনত ন্যায়ালয়ত জমা হোৱা গোচৰৰ বর্ধিত মাত্রাই 'বাক্ তথা অভিব্যক্তি প্রকাশৰ স্বাধীনতা' যে প্রায় অসাৰ হৈ পৰিছে সেই কথাটোকে প্রমাণিত কৰিছে।"

ভাৰতীয় প্রেছ কাউন্সিল (Press Council of India) ঃ ভাৰতৰ প্রথমখন প্রেছ আয়োগৰ পৰামর্শক্রমে সংসদে ১৯৬৬ চনত ভাৰতীয় প্রেছ কাউন্সিল (PCI) গঠন কৰিছিল। কাউন্সিলৰ উদ্দেশ্য আছিল সংবাদ মাধ্যমৰ স্বাধীনতাক ৰক্ষণাবেক্ষণ দিয়া আৰু ভাৰতত সংবাদ

মাধ্যমৰ মান বৰ্তাই ৰখা তথা উন্নততৰ কৰি তোলা। বৰ্তমানৰ কাউন্সিলখনে ১৯৭৮ চনৰ প্ৰেছ কাউন্সিল আইনৰ অধীনত কাম কৰি আছে। ই এক বিধিসন্মত, অৰ্ধ-ন্যায়িক (Quasi Judicial) কৰ্তৃপক্ষ। ই সংবাদ মাধ্যমৰ বাবে আৰু সংবাদ মাধ্যমৰ দ্বাৰা সংবাদ মাধ্যমৰেই অতন্দ্ৰ প্ৰহৰীৰ কাম কৰে। ই সংবাদ মাধ্যমৰ বিৰুদ্ধে আৰু সংবাদ মাধ্যমৰ দ্বাৰা উত্থাপিত নীতিগত বিষয়বোৰ উলংঘন তথা সংবাদ মাধ্যমৰ স্বাধীনতা খৰ্বকাৰী গোচৰবোৰৰ নিষ্পত্তি কৰে।

এগৰাকী অধ্যক্ষই (Chairman) PCIৰ মুৰব্বীৰ দায়িত্ব বহন কৰে। ভাৰতীয় উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশসকলৰ মাজৰ পৰা প্ৰচলিত নিয়ম অনুসৰি PCIৰ অধ্যক্ষগৰাকী বাছনি কৰা হয়। কাউন্সিলৰ মুঠ সদস্যৰ সংখ্যা ২৮ গৰাকী। ইয়াৰে ২০ গৰাকী সদস্য সংবাদ মাধ্যমৰ লোক। সংসদৰ দুয়োখন সদনে মুঠ ৫ গৰাকী সদস্য মনোনীত কৰে। বাকী ৩ গৰাকী সদস্যক সাহিত্য অকাডেমী, বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু ভাৰতীয় বাৰ কাউন্সিলে সংস্কৃতি, সাহিত্য আৰু ন্যায়িক ক্ষেত্ৰখনৰ প্ৰতিনিধিত্ব কৰা লোকসকলৰ মাজৰ পৰা মনোনীত কৰে। সংবাদ মাধ্যমক প্ৰতিনিধিত্ব কৰা সদস্যসকলক বিভিন্ন সংবাদ প্ৰতিষ্ঠান আৰু সংবাদ এজেন্সীবোৰে বাছনি কৰে। কাউন্সিলে গঠন কৰি দিয়া সদস্য মনোনয়ন সমিতিত সংবাদ মাধ্যমৰ সম্পাদক, কৰ্মৰত সাংবাদিক, সংবাদ প্ৰতিষ্ঠান/বাতৰিকাকত/সংবাদ এজেন্সীৰ মালিক আদি থাকিব পাৰে। কাউন্সিলৰ সদস্যসকলে ৩ বছৰৰ বাবে সেৱা আগবঢ়াব লাগে। সেৱা নিবৃত্ত সদস্য এগৰাকীক পুনৰবাৰ মাত্ৰ এটা কাৰ্যকালৰ বাবেহে বাছনি কৰিব পৰা যায়।

বিক্ৰীৰ পৰিমাণৰ আধাৰত প্ৰতিখন পঞ্জীয়নভুক্ত বাতৰিকাকতৰ ওপৰত ধাৰ্য কৰা মাচুলৰ বাবদ সংগ্ৰহ কৰা ধনেৰে PCIৰ কাম-কাজ চলে। পাঁচ হেজাৰখনতকৈ কম বিক্ৰী হোৱা বাতৰিকাকতৰ ক্ষেত্ৰত কোনো মাচুল আদায় নহয়। ঘাটি বাজেট পূৰণ কৰিবলৈ ভাৰত চৰকাৰে অনুদান আগবঢ়ায়। কাউন্সিলে দুটা গুৰুত্বপূৰ্ণ কাৰ্য সিদ্ধি কৰে। কাৰ্য দুটা হ'ল—

১) সংবাদ মাধ্যমৰ স্বাধীনতা অপব্যৱহাৰ কৰা অথবা খৰ্ব কৰা কোনো কথাই যাতে অন্যৰ দৃষ্টিৰ পৰা সাৰি নাযায় অথবা তেনে কথাৰ প্ৰতিবাদ নোহোৱাকৈ নাথাকে সেয়া সুনিশ্চিত কৰা আৰু

২) সাংবাদিকতাসুলভ নীতিৰ স্বীকৃত মানৰ তলখাপৰ বুলি বিবেচিতসকলৰ দৰে স্থূল ৰুচিৰ অথবা অন্য আপত্তিজনক লিখা-মেলাত সংবাদ মাধ্যমৰ লোকসকল যাতে নিজৰ স্বাৰ্থৰক্ষাৰ খাতিৰতে জড়িত নহয় তাৰ প্ৰতি লক্ষ্য ৰখা।

অৱশ্যে PCI ক এটা প্ৰকৃত ক্ষমতাহীন প্ৰতিষ্ঠান বুলি সমালোচনা কৰা হৈ আহিছে। সমালোচকসকলৰ যুক্তি হ'ল— "যিহেতু কাউন্সিলৰ কোনো শাস্তি প্ৰদান কৰিব পৰা ক্ষমতা নাই (সেয়েহে বহুতে ইয়াক 'দাঁত নোহোৱা বাঘ'ৰ সৈতে তুলনা কৰে), সেয়েহে ই কোনো বাস্তৱ উদ্দেশ্য সিদ্ধি কৰিব নোৱাৰে।" এই যুক্তিৰ বিপক্ষেও এটা যুক্তি আছে। প্ৰায়েই আলোচিত আন এটা দিশ হ'ল কাউন্সিলৰ নিয়ন্ত্ৰণ এক্তিয়াৰ ক্ষেত্ৰ (Jurisdiction)। বৰ্তমানলৈকে ই কেৱল ছপা মাধ্যমৰ ক্ষেত্ৰতে সীমাবদ্ধ হৈ আছে। কিন্তু সংবাদ মাধ্যমৰ ক্ষেত্ৰখনত টেলিভিশ্যন, ৰেডিঅ' আৰু ইণ্টাৰনেটেও গুৰুত্বপূৰ্ণ ৰূপ ধাৰণ কৰিছে। সেয়েহে কাউন্সিল তথা আন সংশ্লিষ্ট

পক্ষবোৰে ইয়াক 'মিডিয়া কাউন্সিল' (Media Council) হিচাপে পুনৰ গঠন কৰাৰ দাবী তুলিছে। এই দাবী বাস্তৱ হ'লে সংবাদ মাধ্যমৰ আন শাখাবোৰো কাউন্সিলৰ নিয়ন্ত্রণ এক্টিয়াৰৰ আওতালৈ আহিব। কিন্তু ২০১৬ চনৰ মাজভাগলৈকে এই দাবীটো পূৰণ হোৱা নাই।

নিজৰ সীমাৰ ভিতৰতে PCI বিগত দিনবোৰত যথেষ্ট সক্রিয়ভাৱে কাম-কাজ কৰি আছে। কাউন্সিলে যেতিয়াই প্রয়োজন হয় তেতিয়াই স্ব-প্রেৰণাৰে (Suo Moto) লোৱা কার্যকে ধৰি অন্য প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰি আহিছে, ক্ষেত্রভিত্তিক সত্যাপণৰ বাবে দল প্রেৰণ কৰি আহিছে আৰু লাভ কৰা অভিযোগৰ বিচাৰ কৰি আহিছে।

কেন্দ্রীয় কথাছবি প্রামাণিকৰণ ব'ৰ্ড (Central Board of Film Certification/ CBFC) ঃ ভাৰতত 'অভিব্যক্তি প্রকাশৰ স্বাধীনতা'ৰ ক্ষেত্রখনত CBFC-এ বিগত দশকবোৰত এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। আমাৰ দেশত CBFCৰ পৰা প্রমাণ-পত্র লাভ কৰাৰ পাছতহে যিকোনো কথাছবি ৰাজহুৱাভাৱে প্রদর্শন কৰিব পাৰি।

CBFC হ'ল তথ্য আৰু সম্প্রচাৰ মন্ত্র্যালয়ৰ অধীনৰ এক বিধিসম্মত কর্তৃপক্ষ। ই কথাছবিৰ ৰাজহুৱা প্রদর্শন নিয়ন্ত্রণ কৰে। কথাছবিক প্রমাণ-পত্র দিয়াৰ সময়ত CBFC-এ ১৯৫২ চনৰ চিনেমাটোগ্রাফ আইন, ১৯৮৩ চনৰ দ্যা চিনেমাটোগ্রাফ (চার্টিফিকেশ্যন) নীতি আৰু দফা 5(B)ৰ অধীনত চৰকাৰে গ্রহণ কৰা নির্দেশাৱলীৰ নিয়মবোৰ অনুসৰণ কৰে।

বর্তমান CBFC-এ চাৰিটা শিতানত প্রমাণ-পত্র প্রদান কৰে। শিতানকেইটা হ'ল—

U – Unrestricted Public Exhibition (বাধাহীন ৰাজহুৱা প্রদর্শন)

U/A – Unrestricted Public Exhibition–but with word of caution that parental discretion required for children below 12 years of age (বাধাহীন ৰাজহুৱা প্রদর্শন— কিন্তু ১২ বছৰ আৰু তাতোকৈ কম বয়সীয়া শিশুৰ ক্ষেত্রত পিতৃ-মাতৃৰ বিবেচনাৰ প্রয়োজন বুলি সাৱধানবাণী সম্বলিত)

A – Restricted to adults (কেৱল প্রাপ্তবয়স্কৰ বাবে)

S – Restricted to any special class of persons (কেৱল বিশেষ শ্রেণীৰ দর্শকৰ বাবে)

এই কর্তৃপক্ষটোৱে ভাৰতীয় কথাছবি, চুটি ছবি, বিদেশী চুটি ছবি, ভিডিঅ' ছবি আৰু চিডি সংস্কৰণকে ধৰি সকলো ধৰণৰ কথাছবিকে প্রমাণ-পত্র প্রদান কৰে। CBFC-এ এগৰাকী অধ্যক্ষ আৰু কোনো আনুষ্ঠানিক পদবীধাৰী নোহোৱা লোকক সদস্য নিযুক্তি দিয়া হয় (কেন্দ্রীয় চৰকাৰে ব'ৰ্ডৰ অধ্যক্ষ তথা আন সদস্যসকলক নিযুক্তি দিয়ে)। ব'ৰ্ডৰ মুখ্য কার্যালয় মুম্বাইত অৱস্থিত। ইয়াৰ ৯টা আঞ্চলিক কার্যালয় আছে। কার্যালয়কেইটা মুম্বাই, কলকাতা, চেন্নাই, বাংগালৰু, তিৰুৱন্তপুৰম, হায়দৰাবাদ, নতুন দিল্লী, কটক আৰু গুৱাহাটীত আছে। আঞ্চলিক কার্যালয়বোৰক কথাছবি পৰীক্ষা কৰা কার্যত উপদেষ্টা মণ্ডলীয়ে সহায় কৰে। কেন্দ্রীয় চৰকাৰে মণ্ডলীৰ উপদেষ্টাসকলক মনোনীত কৰে। সমাজৰ বিভিন্ন শ্রেণীৰ প্রতিনিধিত্ব কৰা লোকৰ মাজৰ পৰা এওঁলোকক ২ বছৰৰ বাবে মনোনীত কৰা হয়।

বিগত বছৰবোৰত কথাছবিক প্ৰমাণ-পত্ৰ প্ৰদান কৰাৰ ক্ষেত্ৰত গুৰুতৰ বৈষম্য কৰা বুলি বহুতে ব'ৰ্ডৰ সমালোচনা কৰি আহিছে।

৪.৩.৪ আঞ্চলিক পৰ্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতা

ভাৰতৰ উত্তৰ-পূব অঞ্চলত (North East Region/NER : আঠখন ৰাজ্যৰ সমষ্টি— অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু চিকিম) সংবাদ মাধ্যমৰ স্বাধীনতা মিশ্ৰিত অৱস্থাত আছে। প্ৰতিখন ৰাজ্যতে এই স্বাধীনতাৰ মাত্ৰা ভিন্ ভিন্। অঞ্চলটোৰ ত্ৰিপুৰা আৰু মিজোৰামত সংবাদ মাধ্যমে তুলনামূলকভাৱে অধিক স্বাধীনতা উপভোগ কৰে। অসমকে ধৰি আন ৰাজ্যবোৰত সংবাদ মাধ্যমৰ স্বাধীনতা সীমিত। মণিপুৰত বিশেষকৈ এই স্বাধীনতাৰ দশা অতি শোচনীয় বুলি ক'ব পাৰি। ইয়াৰ এটা উমৈহতীয়া কাৰণ হ'ল অঞ্চলটোৰ বহুকেইখন ৰাজ্যত সক্ৰিয় হৈ থকা বিভিন্ন বিচ্ছিন্নতাকামী দল আৰু ইয়াৰ সমৰ্থক গোটবোৰ। এই দল-গোটবোৰে সংবাদ কৰ্মীক নিজ দায়িত্ব ফলপ্ৰসূভাৱে পালন কৰাত যথেষ্ট অসুবিধা দি আহিছে।

অসম ঃ উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ ভিতৰত অসমতেই সংবাদ মাধ্যম সবাতোকৈ শক্তিশালী। ৰাজ্যখনত বহুকেইখন দৈনিক বাতৰিকাকত, সাপ্তাহিক আৰু পখেকীয়া কাকত আছে। অসমীয়াৰ লগতে ইংৰাজী, বাংলা আৰু হিন্দী ভাষাত এই কাকতবোৰ প্ৰকাশিত হয়। সংবাদ প্ৰচাৰ আৰু মনোৰঞ্জনৰ বাবে ৰাজ্যখনত ৬টা টেলিভিশ্যন চেনেলো আছে। কিন্তু সময়ে সময়ে ৰাজ্যখনৰ সাংবাদিকক বিভিন্ন কাৰণত হত্যা কৰা হৈ আহিছে অথবা হত্যা কৰাৰ চেষ্টা চলোৱা হৈছে অথবা আক্ৰমণ কৰা হৈছে। উদ্বিগ্নতাৰ কথা এয়ে যে ইয়াৰে অধিকাংশ ঘটনাৰে কোনো সমাধান হোৱা নাই। এই ক্ষেত্ৰত সংশ্লিষ্ট পক্ষবোৰৰ আগ্ৰহহীনতাকে দায়ী বুলিব পাৰি।

মণিপুৰ ঃ মণিপুৰত উগ্ৰপন্থী দলবোৰে সংবাদ মাধ্যম কৰ্মীক দি থকা অসুবিধাৰ কথা সকলোৰে জ্ঞাত। বিভিন্ন উগ্ৰপন্থী দল ৰাজ্যখনত সক্ৰিয় হৈ আছে। সকলো দলেই নিজৰ প্ৰচাৰৰ কামত সংবাদ মাধ্যমক ব্যৱহাৰ কৰাৰ চেষ্টা চলায়। ৰাজ্যখনত সংবাদ মাধ্যমৰ অৱস্থা 'দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণ'ৰ দৰে হৈছে। কাৰণ, সুৰক্ষা বাহিনীয়েও বিচ্ছিন্নতাকামী দলবোৰৰ পৰা পোৱা তথ্য-সংবাদ প্ৰচাৰ নকৰিবলৈ সংবাদ মাধ্যমৰ ওপৰত হেঁচা প্ৰয়োগ কৰে। ৰাজ্যখনত সংবাদ মাধ্যম আৰু উগ্ৰপন্থী গোটৰ মাজত চলা কাজিয়া, সুৰক্ষা বাহিনীৰ সৈতে হোৱা মনোমালিন্য আদিৰ বাবে প্ৰায়েই বিভিন্ন অনুষ্ঠান বৰ্জনৰ সংবাদ পোৱা যায়। কেতিয়াবা বাতৰিকাকতৰ প্ৰকাশো সাময়িকভাৱে বন্ধ কৰি দিয়া হয়। ৰাজ্যখনত উগ্ৰপন্থীয়ে নিষেধ কৰা বাবে মণিপুৰী ভাষাত নিৰ্মিত কথাছবিৰ বাহিৰে আন কোনো ভাষাৰ কথাছবি প্ৰদৰ্শন কৰা নহয়।

অৰুণাচল প্ৰদেশ ঃ ৰাজ্যখনত সংবাদ মাধ্যম সিমান শক্তিশালী নহয় যদিও ব্যক্তিগত আৰু ৰাজনৈতিক কাৰণত কেইবাবাৰো সাংবাদিকক গুলীওৱা হৈছে।

নাগালেণ্ড ঃ নাগালেণ্ডতো উগ্ৰপন্থী সমস্যা আছে। তথাপি, ৰাজ্যখনৰ পৰা প্ৰকাশিত

বাতৰিকাকতবোৰে সামগ্রিকভাৱে বিশেষ সমস্যাৰ সন্মুখীন নোহোৱাকৈ কাম কৰি আছে।

মেঘালয় আৰু মিজোৰাম ঃ এই দুয়োখন ৰাজ্যত অভিব্যক্তি প্রকাশৰ স্বাধীনতা কোনো ভাবুকিৰ সন্মুখীন হোৱা নাই। দুয়োখন ৰাজ্যতে সংবাদ মাধ্যমে নাগৰিকক উন্নত সেৱা আগবঢ়াই আছে।

ত্রিপুৰা ঃ বর্তমানৰ চৰকাৰখনৰ অধীনত ত্রিপুৰাত সংবাদ মাধ্যমে সুস্থিৰভাৱে অভিব্যক্তি প্রকাশৰ স্বাধীনতা উপভোগ কৰি আছে। ৰাজ্যখনত প্রায় ৬০খন বাতৰিকাকত আছে। ইয়াৰে অধিকাংশ কাকতেই বাংলা ভাষাৰ। দুখনমান কাকত ক'ক্-ব'ৰ'কৰ দৰে ভাষাতো প্রকাশিত হয়। বর্তমান ৰাজ্যখন প্রায় উগ্রপন্থী শূন্য হৈ পৰিছে।

চিকিম ঃ উত্তৰ-পূব অঞ্চলৰ সবাতোকৈ শান্তিপূর্ণ সৰু ৰাজ্য চিকিম। ৬ লাখতকৈ কিছু অধিক জনসংখ্যাৰ ৰাজ্যখনত মাত্র কেইখনমানহে বাতৰিকাকত আছে। কাকতকেইখনৰ পঢ়ুৱৈৰ সংখ্যাও সীমিত। কিন্তু ৰাজ্যখনত সংবাদ মাধ্যমে এটা ভাল পৰিৱেশত কাম কৰি আছে। কোনোটো পক্ষই সংবাদ মাধ্যমৰ অভিব্যক্তি প্রকাশৰ স্বাধীনতাত অযথা হস্তক্ষেপ নকৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ আন্তঃৰাষ্ট্রীয়, ৰাষ্ট্রীয় আৰু আঞ্চলিক পর্যায়ত প্রেছৰ স্বাধীনতাৰ দশা কেনেধৰণৰ লিখক।

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ প্রোথিত সাংবাদিকতা মানে কি?

.....

.....

.....

প্রশ্ন নং ৪ ঃ PCI-এ আশা কৰা মতে সেৱা আগবঢ়াব পাৰিছেনে?

.....

.....

.....

৪.৪ গণতন্ত্র, সংবাদ মাধ্যম আৰু ৰাজহুৱা ক্ষেত্র

"ৰাজহুৱা ক্ষেত্র (Public sphere) ... দৰাচলতে এটা ৰূপক। অভিধাটোৰে মানুহে মত বিনিময় কৰিব পৰা এখন বাস্তৰ-ভ্রম হোৱা (Virtual space) ক্ষেত্র ... উদাহৰণ স্বৰূপে 'ৰল্ড্ ৰাইড ৱেব'ৰ কথাকে ধৰক, ই প্রকৃততে এখন আচল জাল নহয়; 'ছাইবাৰস্পেছ' এখন বাস্তৰ

স্থান নহয়; একে কথাই ৰাজহুৱা ক্ষেত্রৰ লগতো খাটে। এই বাস্তৱ-ভ্রম হোৱা ক্ষেত্রখনত মিলিত হৈ দেশ এখনৰ নাগৰিকে ধাৰণা-চিন্তা বিনিময় কৰে, বিভিন্ন সমস্যা আলোচনা কৰে আৰু 'সাধাৰণ স্বার্থজড়িত বিষয়'ক লৈ এক সর্বসন্মত সিদ্ধান্তত উপনীত হোৱাৰ প্রয়াস কৰে।" [(Jürgen) Habermas, 1997 : 105]

"ৰাজহুৱা ক্ষেত্র হ'ল ... এনে এটা ৰূপক যিটোৱে আমাক বৃহত্তৰ মাত্রাত আমাৰ নিয়ন্ত্রণ থকা উপস্থাপনৰ একান্ত ব্যক্তিগত ৰূপ আৰু কেৱল ভাগ-বাটোৱাৰা কৰা বাবেই (ৰাজহুৱা কৰা) আমি কেতিয়াও চাব নিবিচৰা ধৰণৰ ভাগ-বাটোৱাৰা কৰা, ঐকমত্যভিত্তিক উপস্থাপনৰ মাজত থকা পার্থক্যৰ প্রতি মনোযোগী কৰি ৰাখে। ই হ'ল এটা উদাৰ আৰ্হি। ই ব্যক্তিয়ে গাইগুটীয়াভাৱে 'সাধাৰণ ইচ্ছা' (General Will) গঠনত গুৰুত্বপূর্ণ অৱদান আগবঢ়াব পাৰে বুলি ভাবে। এই চিন্তা একনায়কত্ববাদী অথবা মার্ক্সবাদী আৰ্হিৰ বিপৰীত, কাৰণ এই আৰ্হি দুটাই ৰাষ্ট্রক মানুহৰ চিন্তা নিয়ন্ত্রণকাৰী সর্বোচ্চ ক্ষমতা বুলি গণ্য কৰে।" [Alan Mckee, The Public Sphere : An Introduction. Cambridge Univ. Press, 2005]

"মানুহৰ মনক প্রবুদ্ধ কৰা আৰু মানুহক যুক্তিবাদী, নৈতিক তথা সামাজিক সত্তা হিচাপে উন্নত কৰি তোলাৰ সর্বোত্তম আহিলা হ'ল প্রেছ।" [Thomas Jefferson, former President of the USA (1801-09)]

আগতেই উল্লেখ কৰা হৈছে যে সংবাদ মাধ্যম অথবা প্রেছক অনানুষ্ঠানিক বিশ্ববিদ্যালয় বোলা হয়। ইয়াত জনগণ অথবা ৰাইজৰ সুবিধা হোৱাকৈ যিকোনো আৰু সকলো ধৰণৰ গুৰুত্বপূর্ণ বিষয় আলোচনা কৰা হয়। অন্য অর্থত, সংবাদ মাধ্যমৰ ওপৰত ৰাইজক গুৰুত্বপূর্ণ বিষয়বোৰৰ শিক্ষা প্রদান কৰাৰ দায়িত্ব ন্যস্ত থাকে। ই এক জীৱনজোৰা শিকন প্রক্রিয়া। এই প্রক্রিয়াটোত বিভিন্ন কাৰণত আনুষ্ঠানিক শিক্ষানুষ্ঠানত শিক্ষা লাভৰ পৰা বঞ্চিত লোকসকলকো সামৰি লোৱা হয়।

এইখিনিতে আমি সংবাদ মাধ্যমৰ বিখ্যাত নির্বাচনী অভিযানৰ কার্যক্রমণিকা সজাই লোৱা প্রক্রিয়াটো পুনঃস্মৰণ কৰো আহকহু সম্পাদক, সংবাদকক্ষৰ অন্য কর্মচাৰী আৰু সম্প্রচাৰকসকলে ৰাজনৈতিক বাস্তৱ (Political Reality) গঢ় দিয়াত এক গুৰুত্বপূর্ণ ভূমিকা লয়। কাৰণ, তেওঁলোকৰ হাততেই সংবাদ বাছনি তথা পৰিৱেশন কৰাৰ ক্ষমতা থাকে। এটা সংবাদত থকা তথ্য আৰু ইয়াক প্রকাশ/পৰিৱেশন কৰা স্থানৰ ওপৰত ভিত্তি কৰি পাঠক/দর্শকে কোনো এক প্রদত্ত সমস্যাৰ বিষয়ে জানে তথা সমস্যাটোত কিমান গুৰুত্ব দিব সেয়া বুজি পায়। কোনো এক নির্বাচনী প্রচাৰ অভিযানৰ সময়ত প্রার্থীসকলে কি কয় সেয়া বিবেচনা কৰি গণমাধ্যমবোৰ গুৰুত্বপূর্ণ বিষয়বোৰ নির্ধাৰণ কৰে। অর্থাৎ সংবাদ মাধ্যমে এনে অভিযানৰ কার্যক্রমণিকা (Agenda) যুগুত কৰি উলিয়াব পাৰে। [McCombs, Shaw, 1972]

ইউ. এছ. এজেন্সী ফ'ৰ ইণ্টাৰনেশ্যনেল ডেভেলপমেণ্টৰ চেণ্টাৰ ফ'ৰ ডেম'ক্রেছী এণ্ড গভর্ণেন্স (১৯৯৯) মতে— অতি কমেও দুটা কাৰণত গণতন্ত্রৰ সুস্বাস্থ্যৰ বাবে তথ্যৰ সুচলতা

প্রয়োজনীয়। প্রথম কাৰণটো হ'ল ই অজ্ঞতা অথবা ভুল তথ্যৰ আধাৰত কোনো সিদ্ধান্ত লোৱাৰ সলনি নাগৰিকে যাতে দায়িত্বশীল আৰু তথ্যলব্ধ সিদ্ধান্ত ল'ব পাৰে সেয়া নিশ্চিত কৰে। দ্বিতীয় কাৰণটো হ'ল তথ্যই 'পৰীক্ষা ক্রিয়া' হিচাপে সেৱা আগবঢ়ায়। অর্থাৎ, তথ্যই এয়া সুনিশ্চিত কৰে যে নির্বাচিত প্রতিনিধিসকলে কার্য সম্পাদন কৰিবলৈ লোৱা শপত অনুসৰি আৰু তেওঁলোকক নির্বাচিত কৰি পঠিওৱাসকলৰ আশা-আকাংক্ষা পূৰণৰ হকে কাম কৰি আছে।

কিছুমান সমাজত চৰকাৰ আৰু সংবাদ মাধ্যমৰ মাজত এটা পৰস্পৰ বিৰোধী (Antagonistic) সম্পর্ক আছে। এনে সম্পর্ক কিন্তু সম্পূর্ণ সক্রিয় গণতন্ত্রৰ এক প্রয়োজনীয় আৰু কল্যাণকাৰী উপাদান। অৱশ্যে কোনো সংঘাতৰ পাছৰ সময়ছোৱাত অথবা নৃগোষ্ঠীয়ভৱে সমগোত্রীয় সমাজবোৰৰ বাবে এনে মতদ্বন্দ্ব থকা, উত্তেজনাপূর্ণ চৰকাৰ-সংবাদ মাধ্যম সম্পর্ক এটা উপযুক্ত নহ'বও পাৰে। কিন্তু ৰাষ্ট্র আৰু অসামৰিক সমাজ এখনৰ সকলোবোৰ দিশৰ মাজত মধ্যস্থতাকাৰী হিচাপে প্রেছৰ তথ্য প্রচাৰ কৰাৰ যিটো ভূমিকা সেইটো সদায়েই গুৰুত্বপূর্ণ হৈ থাকিব। এক মুক্ত সংবাদ মাধ্যমৰ বাবে বিভিন্ন ক্ষেত্রৰ বিষয়ে, যেনে— উৎপাদন তথা বিতৰণৰ মাধ্যম, তথ্য আৰু বিভিন্ন দৃষ্টিভংগী সম্পর্কে জনাৰ সুবিধা থকাটো অতি গুৰুত্বপূর্ণ।

সৰল অর্থত, সংবাদ মাধ্যমে সমাজত সৃষ্টি হোৱা যিকোনো নতুন ঘটনাক লৈ সাধাৰণ লোকে কি ভাবিব, ঘটনাটো কেনেদৰে গ্রহণ কৰিব অথবা দৈনন্দিন জীৱনত কেনেদৰে অনুশীলন কৰিব তাৰ দিক্-নির্দেশনা প্রদান কৰা শক্তি হিচাপে কাম কৰে।

মানুহক সংবাদ আৰু দৃষ্টিভংগী জনোৱাটোৱেই সংবাদ মাধ্যমৰ একমাত্র কর্তব্য আৰু দায়িত্ব নহয়। সমাজত উদ্ভৱ হোৱ নতুন ঘটনা আৰু সমস্যাৰ বিষয়ে মানুহক উপযুক্ত ধৰণে সজাগ কৰি তোলাটোও ইয়াৰ দায়িত্বৰ ভিতৰত পৰে। তেতিয়াহে মানুহে 'তথ্যলব্ধ সিদ্ধান্ত' (Informed Decision) ল'ব পাৰিব। অর্থাৎ তেনে ঘটনা আৰু সমস্যাবোৰৰ সপক্ষে তথা বিপক্ষে থকা সকলোবোৰ যুক্তি শুনাৰ পাছত মানুহে ঘটনা অথবা সমস্যাটো সমর্থন কৰিব, গ্রহণ কৰিব নে আওকাণ কৰিব তাৰ সিদ্ধান্ত ল'ব পাৰে।

এইবোৰ কাৰণতে বিশ্বৰ সকলো গণতান্ত্রিক সমাজতে সংবাদ মাধ্যমে এক গুৰুত্বপূর্ণ স্থান দখল কৰি আছে।

ৰাষ্ট্রৰ ৰাজনৈতিক ব্যৱস্থাক গভীৰভাৱে প্রভাৱিত কৰিব পৰা ক্ষমতাৰ অধিকাৰী হ'ল সংবাদ মাধ্যম। এক সুস্থ গণতন্ত্রৰ বাবে মুক্ত আৰু বিনামূলীয়া সংবাদ মাধ্যমৰ গুৰুত্ব অসীম। সেয়েহে প্রচাৰ মাধ্যমৰ সংশোধনী ঘটাবলৈ আমেৰিকাৰ 'কমন কজ' নামৰ সংস্থাটোৱে বিভিন্ন দিশৰ অৱতাৰণা কৰিছে। সংস্থাটোৱে সংশোধনীৰ কথা কোৱা দিশ কেইটামান হ'ল— সকলোৰে বাবে বিনামূলীয়া, মুক্ত আৰু সহজলভ্য ইণ্টাৰনেট সেৱা; সংবাদ মাধ্যমৰ সংহতকৰণ প্রক্রিয়াটো মন্থৰ গতিৰে আগবঢ়াই নিয়া আৰু স্বচ্ছতা। [Common Cause, USA]



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ৰাজহুৱা ক্ষেত্র এখনত সংবাদ মাধ্যমে কেনে ভূমিকা পালন কৰে?

.....

.....

.....

.....

.....

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিশ্বৰ যিকোনো ঠাইতে গণতন্ত্রৰ সফলতাৰ বাবে এটা কর্মোদ্যমী আৰু সক্রিয় প্রেছ অথবা সংবাদ মাধ্যম থকাটো অতি জৰুৰী।
- সংবাদ মাধ্যম হ'ল এখন অনানুষ্ঠানিক বিশ্ববিদ্যালয়। এই মঞ্চখনত সমাজৰ সকলো দিশ তথা সমস্যা খৰচি মাৰি আলোচনা কৰিব পাৰি। এই আলোচনাৰ জৰিয়তে সাধাৰণ লোকক প্রতিটো বিষয় অথবা সমস্যাৰ ভাল-বেয়া সকলোবোৰ দিশ জনাব পাৰি। মানুহে সকলোবোৰ তথ্যৰ আধাৰত বিষয় অথবা সমস্যা এটাক লৈ তথ্যলব্ধ সিদ্ধান্ত গ্রহণ কৰিব পাৰে।
- বিশ্বৰ বিভিন্ন অঞ্চলত অভিব্যক্তি প্রকাশৰ স্বাধীনতা তথা সংবাদ মাধ্যমৰ স্বাধীনতাৰ ছবি দুখন বেলেগ বেলেগ। অভিব্যক্তি প্রকাশৰ স্বাধীনতা তথা সংবাদ মাধ্যমৰ স্বাধীনতা দেশভেদে মুক্ত অথবা একেবাৰেই মুক্ত নহয়।
- আমাৰ দেশত বিষয়টোৱে এক মিশ্রিত পৰিস্থিতিৰ সৃষ্টি কৰিছে। ইয়াত সংবাদকর্মী নিগ্রহৰ সন্মুখীন হোৱাৰো উদাহৰণ আছে।
- ভাৰতৰ প্রেছ স্বাধীনতাৰ ইতিহাসৰ এটা ক'লা অধ্যায় হ'ল ১৯৭৭ চনৰ ৰাষ্ট্রীয় জৰুৰী অৱস্থাৰ কালছোৱা।
- বহুতে প্রোথিত সাংবাদিকতাক সমালোচনা কৰি কয় যে ই হ'ল সাংবাদিকতাৰ এটা পক্ষপাতিত্বমূলক ৰূপ।
- ভাৰতত কথাছবিৰ ৰাজহুৱা প্রদর্শনৰ প্রমাণ-পত্র দিয়া CBFCক ইয়াৰ সিদ্ধান্তবোৰৰ জৰিয়তে সংবাদ মাধ্যমৰ স্বাধীনতা সীমাবদ্ধ কৰা এটা এজেন্সী বুলি গণ্য কৰা হয়।
- PCI-এ নিজৰ কর্তব্য সুচাৰুৰূপে পালন কৰি আছে যদিও আজি পর্যন্ত বৈদ্যুতিন সংবাদ মাধ্যমক ইয়াৰ এক্টিয়াৰ ক্ষমতাৰ ভিতৰলৈ ননা কথাটোৱে পৰিষদখনৰ ক্ষমতা সীমিত কৰি ৰাখিছে।

- সংবাদ মাধ্যমে ৰাজহুৱা ক্ষেত্ৰৰ বাবে কার্যক্রমণিকা যুগুত কৰে। ফলত মানুহে বিভিন্ন আলাপ-আলোচনাৰ জৰিয়তে নিজৰ জীৱনক প্রভাৱিত কৰিব পৰা সকলো ধৰণৰ বিষয় তথা সমস্যাৰে একোটা যুক্তিসংগত সিদ্ধান্তত উপনীত হ'ব পাৰে।

৪.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Ramachandran, C.N., *Little Reason to Restrict the Freedom of Speech*, The Hindu, September 26, 2013.
2. Katju, M. *The Role the Media should be Playing in India*, The Hindu, Nov. 5, 2011.
3. *The Role of Media in Democracy –A Strategic Approach* (June, 1999), Technical Publication Series. Center for Democracy and Governance. Bureau for Global Programs, Field Support, and Research, Washington, D.C. 20523-3100.
4. McCombs, ME, Shaw, DL, *The Agenda Setting Function of Mass Media*, Public opinion Quarterly. XXXVI. 1972.
5. Thakuria, N., *Media Persons In Northeast India : Living On The Edge*. Countercurrents.org. January 29, 2009.

ৱেব-ছাইট ঃ

1) www.rsf.org
2) www.freedomhouse.org
3) www.cpj.org
4) www.commoncause.org
5) www.pci.org.in
6) http://cbfcindia.gov.in

৪.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সংবাদ মাধ্যম অথবা প্রেছ হ'ল এখন মুকলি মঞ্চ অথবা এখন অনানুষ্ঠানিক বিশ্ববিদ্যালয়। ই যিকোনো সময়তে সমাজৰ বাবে প্রয়োজনীয় হৈ উঠা যিকোনো আৰু প্রতিটো বিষয়ক লৈ আলোচনা তথা ৰাজহুৱা বিতর্ক চলাৰ বাবে দৰকাৰী সুবিধা গঢ়ি তোলে। এই কার্যৰ দ্বাৰা সাধাৰণ ব্যক্তিয়ে সংবাদ মাধ্যমে আলোচনাৰ বাবে গ্রহণ কৰা বিষয়টোৰ